যাত্ৰাপথত আমি ৰাজাপাৰাত হোটেল এখনত ৰাতিপুৱাৰ জলপান খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় ১১.৩০ মান বজাত গ্ৰন্থমেলাত উপস্থিত হ'লো আৰু ভিতৰত প্ৰৱেশ কৰি এটা এটাকৈ মুঠ চাৰিটা হ'লত সোমাইছিলো। সকলোৱে কিতাপ ছোৱা আৰু কিনাৰ পিছত গ্ৰন্থমেলা চৌহদতে দুপৰীয়া আহাৰ গ্ৰহণ কৰি কলাক্ষেত্ৰলৈ ৰাওনা হ'লো। কলাক্ষেত্ৰত প্ৰৱেশ কৰাৰ পিছত আমি প্ৰথমে ড° ভূপেন হাজৰিকা দেৱৰ সংগ্ৰহালয়ত সোমাইছিলো আৰু তাত গৈ বৰ শান্তি অনুভৱ কৰিছিলো। তাৰ পিছত মিউজিয়াম, নামঘৰ আৰু পুথিভঁৰাল চাইছিলো। পুথিভঁৰালত বহুদিনীয়া পুৰণি বাতৰি কাকত সংগ্ৰহ কৰি ৰখা দেখিছিলো। কলাক্ষেত্ৰত "Light and sound" নামৰ show টো চাই মোৰ আটাইতকৈ ভাল লাগিছিল...

## সীমান্তিকা নাথ

আজি সকলোৱে নিজৰ নিজৰ পছন্দৰ ধুনীয়া ধুনীয়া ৰঙৰ কাপোৰ পিন্ধি আহিছে। দেখি এনেকুৱা লাগিল যেন আজি আমাৰ কলেজৰ বাধ্যতামূলক সাজপাৰও নাই আৰু শ্ৰেণীৰ কথাও জানিবলগা নাই। এটা সম্পূৰ্ণ নতুন দিন । আৰম্ভ হ'ল আমাৰ গুৱাহাটী যাত্ৰা। বাছখনত কোনোবাই গান গাইছে, কোনোবাই গান শুনিছে আৰু আন কোনোবাই হাত চাপৰি বজাইছে। আৰু আমাৰ লগত ছাৰ বাইদেউ হতেও সহযোগ কৰিছে।

১১.৩০ বজাত আমি চানমাৰী গ্ৰন্থমেলা গৈ পালো। গৈয়ে দেখিলো এটা বিশাল চৌহদত এই গ্ৰন্থমেলাখন পতা হৈছে। পৰিৱেশটো গহীন। ভিতৰত গৈয়ে দেখিলো এটা বিৰাট ডাঙৰ প্ৰেক্ষাগৃহ, য'ত বিভিন্ন ধৰণৰ কিতাপ সমৃদ্ধ সৰু ডাঙৰ বিপনী সমূহ আছে। চাৰিটা বিশাল প্ৰেক্ষাগৃহত বিভিন্ন ধৰণৰ কিতাপ ইমান ধুনীয়াকৈ সজাই থোৱা আছে দেখিয়েই ভাল লাগিল। গ্ৰন্থমেলা চৌহদতে থকা হোটেল এখনত আমি দুপৰীয়া আহাৰ খালো। বহুত ফটো উঠিলো...

## গীতাঞ্জলী ৰাভা

মই আগতে গ্ৰন্থমেলা দেখা নাই, এইটোৱে মোৰ প্ৰথম। মই কেইখন গল্প কিতাপ আৰু অসমীয়া অভিধান এখন লৈছিলো। গ্ৰন্থমেলাতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আমি কলাক্ষেত্ৰ অভিমুখে ৰাওনা হ'লো। এই যাত্ৰাপথত আমি মিনতি বাইদেউৰ ঘৰ পোৱাত তাত নামি ফ্ৰেচ হৈ লৈছিলো আৰু বাইদেউয়ে আমাক বাদাম, ভূজিয়া আদি খাব দিছিল। বাইদেউৰ ঘৰত গৈ মোৰ বহুত ভাল লাগিছিল আৰু সেইটো মই কেতিয়াও পাহৰিব নোৱাৰিম। তিনিওজন ছাৰ বাইদেউয়ে সেইদিনা আমাক নিজৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ মৰম কৰিছিল। বাইদেউৰ ঘৰৰ পৰা ওলাই আমি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ আগ বাঢ়িলো।

কলাক্ষেত্ৰত প্ৰৱেশ কৰিয়েই আমি সকলোৱে ফটো উঠিলো আৰু তাৰ পিছত ড° ভূপেন হাজৰিকাদেৱৰ মিউজিয়ামটো গ'লো। সেই কোঠালীটোত সজাই থোৱা প্ৰত্যেকটো বস্তু চাই মোৰ বহুত ভাল লাগিছিল...

## নিপজ্যোতি কলিতা

সেইদিখন মঙলবাৰ। এটা অতি স্মৰণীয় দিন মোৰ বাবে হয়তো আন লগৰীয়া সকলৰ বাবেও। কাৰণ আমাৰ Education Department ৰ Head বাইদেউয়ে ক্লাছৰ শেষত আমাৰ 3rd year ৰ Major group টোক চানমাৰীত হৈ থকা আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলালৈ লৈ যোৱাৰ কথা ক'লে। তেতিয়াৰ পৰা আমাৰ লগৰীয়াসকলৰ মাজত গুৱাহাটীলৈ যোৱাক লৈ কিমান যে পৰিকল্পনা কৰিলো তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। মিনতি বাইদেউৰ ঘৰত সোমাই আমাৰ খুব ভাল লাগিল। প্ৰতিটো বস্তুৱেই ইমান ধুনীয়াকৈ সজাই থোৱা আছিল যে চালে চকুৰোৱা আছিল। তাত আমি চানা, বাদাম খাই ফ্ৰেছহৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলো

এই শিক্ষামূলক ভ্ৰমণৰ দিনটো মোৰ বাবে এক স্মৰণীয় দিন, যিয়ে মোৰ জীৱনৰ বাবে কিছু মিঠা অনুভৱ আৰু জ্ঞানৰ সঞ্চাৰ কৰিয়াই আনিছে। এই দিনটোয়ে আমাৰ লগৰীয়া আৰু ছাৰ বাইদেউহতঁৰ মাজৰ যি সম্পৰ্ক, সেয়া আৰু দৃঢ়তাৰে গঢ়ি তুলিছে। সঁচাকথা ক'বলৈ হ'লে এটা পৰিয়ালৰ দৰে আমি গৈ তাত এটা দিন পাৰ কৰাৰ যি অনুভৱ সেই অনুভৱবোৰ জীৱনৰ কোনোৱা এদিন হ'লেও মনত পৰিব আৰু কলেজীয়া জীৱনৰ বহুত কথা মনত পেলাই দিব লগতে আমাৰ বন্ধু-বান্ধৱী আৰু মিনতি বাইদেউ, পাৰুল বাইদেউ আৰু জগবন্ধু ছাৰৰ কথা মনত পেলাই দিব...

## নাজনিন চুলতানা

কলেজীয়া জীৱনত প্ৰথমবাৰৰ বাবে মই সহপাঠীৰ লগত ভ্ৰমণলৈ যাম, গতিকে আগদিনা ৰাতিটো নাযায় নুপুৰায় যেন লাগিছিল।

আমি গ্ৰন্থমেলাৰ ভিতৰত প্ৰৱেশ কৰি দেখিলো যে চাৰিওফালে ধুনীয়াকৈ সজোৱা কিতাপৰ মেলা। প্ৰথম বাৰৰ বাবে মই গ্ৰন্থমেলালৈ গৈ উৎফুল্লিত হৈ পৰিছিলো। মই এফালৰ পৰা কিতাপবোৰ চাবলৈ ধৰিলো। ইমানবোৰ লিখকৰ কিতাপ পোৱা যাব বুলি মই ভবাই নাছিলো। গ্ৰন্থমেলাৰ পৰা ওলাই আমি কলাক্ষেত্ৰলৈ গ'লো। তাত সোমাই আমি এফালৰ পৰা বস্তুবোৰ চাবলৈ ধৰিলো। আমি ভূপেনদাৰ সংগ্ৰহালয়টো চালো। তাৰ পিছত মিউজিয়ামত সোমালো। তাত ৰজা মহাৰজাৰ মূৰ্তিবোৰ, কাহঁ পিতলৰ বস্তু, অসমৰ বিভিন্ন জাতিৰ সাজ-পোছাকবোৰ দেখা পাইছিলো। আমি তাত অসমীয়া জাতিৰ বিভিন্ন বস্তু দেখাৰ লগতে পুৰণি দিনৰ প্ৰিনটিং মেচিন এটা দেখা পাইছিলো...

## কাঞ্চন পদ্দাৰ

গ্ৰন্থমেলাত প্ৰৱেশ কৰি যিফালে চাওঁ কেৱল কিতাপ আৰু কিতাপ। জগবন্ধু ছাৰে আমাক সকলোকে কিতাপবোৰ ভালদৰে চাই লবলৈ ক'লে আৰু লগতে আনন্দ লবলৈ ক'লে। হাজাৰ হাজাৰ গ্ৰন্থ আৰু ইমান মানুহৰ সমাৱেশ সচাঁই এইটো মোৰ নতুন অভিজ্ঞতা। অনিচ্ছা সত্বেও গ্ৰন্থমেলাৰ পৰা বিদায় লৈ কলাক্ষেত্ৰ অভিমুখে ৰাওনা হ'লো। যাত্ৰা পথত বেলতলাত থকা আমাৰ অতি চেনেহৰ মিনতি বাইদেউৰ ঘৰ। তেওঁ তাত সদায় নাথাকে। কাৰণ তেওঁ দুধনৈত থাকিবলগীয়া হয়। বাছখন গৈ মেমৰ দুৱাৰ মুখত ৰখাই দিলে। ছাৰৰ নিৰ্দেশত আমি আটাইয়ে বাছৰ পৰা নামি মেমৰ ঘৰত সোমালো। মেমে আগে আগে গৈ তলা খুলি দিলে। আমি আটাইয়ে তাত হাত মুখ ধুই ফ্ৰেচ হৈ পুনৰ গাড়ীত উঠি পাঞ্জাবাৰীত কলাক্ষেত্ৰ পালো..........

## সুজাতা চ্যাটাৰ্জী

আমি গ্ৰন্থমেলাত সোমাই চালো বিভিন্ন ধৰণৰ কিতাপ, গ্ৰন্থ আদি। মই সৰু থাকোতে গ্ৰন্থ ৰচনা পাঢ়িবলৈ পাইছো, মই ভাৱিছিলো গ্ৰন্থমেলা কেনেকুৱা! এইবাৰ গুৱাহাটী চানমাৰীত মই গ্ৰন্থমেলা দেখিবলৈ পালো আৰু কিতাপ কিনিলো। তাৰ চৌহদত থকা হোটেলত ছাৰ বাইদেউ সহিতে আমি সকলোৱে দুপৰীয়াৰ আহাৰ খালে। তাৰ পিছত আমি সকলোৱে কলাক্ষেত্ৰলৈ ৰাওনা হ'লো। তাৰ মনোৰম দৃশ্য এতিয়াও মাৰ চকুত ৰৈ গৈছে। প্ৰথমতে আমি ভূপেন হাজৰিকাৰ মিউজিয়াম চালো। তাত থকা ভূপেন হাজৰিকাৰ স্মৃতি সমূহ চাই মোৰ মনত দুখ লাগিছিল। তাত থকা পাৰ্কত আমি আকাশী ৰেলখনত উঠি আনন্দ উপভোগ কৰিছিলো। তাৰ পিছত আমি শংকৰদেৱৰ মিউজিয়াম, নামঘৰ চালো আৰু লগতে আমি সকলোৱে ফটোও উঠিছিলো। তাৰ পিছত সন্ধিয়া হ'লত আমি ঘৰলৈ ৰাওনা হ'লো। ঘৰত আহোতে গাড়ীত গান গাই, নাচি বাগি আনন্দৰে আমি আহি পালো...

## গায়ত্ৰী কৰ

মই এনেকুৱা কিতাপৰ মেলা আগতে কেতিয়াও দেখা নাছিলো। তাত ধুনীয়াকৈ সজাই ৰখা বিভিন্ন বিভিন্ন লেখকৰ বিভিন্ন কিতাপ দেখিবলৈ পালো। কিছুসময় গ্ৰন্থমেলাত থাকি কলাক্ষেত্ৰলৈ ৰাওনা হ'লো। এই যাত্ৰা পথত অতি কম সময়ৰ বাবে মিনতি বাইদেউৰ ঘৰত সোমাই পুনৰ বাছত উঠি কলাক্ষেত্ৰ পালো। কলাক্ষেত্ৰত উপস্থিত হৈ বহুত আনন্দিত হৈছিলো। তাত উপস্থিত হৈ ফটো উঠিলো আৰু টিকট লৈ ভিতৰলৈ প্ৰৱেশ কৰিলো। প্ৰৱেশ কৰিয়ে আমি প্ৰথমে মিউজিয়ামবোৰ চাবলৈ গ'লো। তাত আমি ড° ভূপেন হাজৰিকাৰ বিভিন্ন বস্তু দেখিবলৈ পাইছো যেনে ঃ তেওঁৰ বস্ত্ৰ, বাদ্যযন্ত্ৰ, কফিন ইত্যাদি। কলাক্ষেত্ৰৰ মিউজিয়ামত বিভিন্ন কবি, লেখিকা, সাহিত্যিক আদিৰ ছবি দেখিবলৈ পাইছিলো। লগতে তাত এটা পুথিভঁৰালও আছে। য'ত পুৰণি বাতৰি কাকত, কিতাপ পত্ৰ আদি সংৰক্ষিত কৰা আছে, যিবোৰ আজিৰ যুগত পোৱা টান। তাত থকা নামঘৰত আমি সকলোৱে মিনতি বাইদেউৰ লগত এটা নামও গাইছিলো...

*গ্ৰন্থমেলালৈ যোৱা এইটোৱেই মোৰ প্ৰথম অভিজ্ঞতা। ইয়াৰ পূৰ্বে মই গ্ৰন্থমেলাৰ বিষয়ে মাথো শুনিছিলো তাত গৈ গ্ৰন্থবিপনীবোৰ দেখি মই অভিভূত হৈ পৰিছিলো। চাৰিওপিনে কিতাপৰ ডাঙৰ ডাঙৰ দোকান আৰু তাত কিতাপবোৰ বৰ সুন্দৰকৈ সজাই ৰাখিছে। তাৰ দোকানবোৰ আমাৰ স্থানীয় দোকানবোৰতকৈ বহুত বেলেগ।*

### ৰূপা ছেত্ৰী

সকলোৱে গীত গাই, ফুৰ্তি কৰি আমি গুৱাহাটীৰ চাৰিসীমাৰ ভিতৰত প্ৰৱেশ কৰিলো। মোৰ আগৰ চিটখনত মিনতি বাইদেউ আৰু পাৰুল বাইদেউ আছিল বাবে মোৰ সৌভাগ্য হৈছিল যে মই তেওঁলোকৰ পৰা বহুত নেদেখা বা নজনা ঠাইৰ বিষয়ে মোৰ এই যাত্ৰাটোত জানিবলৈ পাইছিলো। মাজে মাজে মিনতি বাইদেউয়ে মোক খিৰিকীৰে বহুত ঠাই দেখুৱাই দিছিল। গুৱাহাটী বিশ্ববিদ্যালয়, ভূপেনদাৰ সমাধিস্থল , দুৰৰী বাৰ ঘৰখন, ঠায়ে ঠায়ে মন্দিৰ, Red F.M ৰ কাৰ্যালয়, মিনতি বাইদেউয়ে পঢ়া বিদ্যালয়খন ইত্যাদি বহুতো আগেয়ে নজনা ঠাইৰ বিষয়ে জানিব পাৰিছিলো।

আমি অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত চানমাৰিস্থিত 'অসম অভিযান্ত্ৰিক প্ৰতিস্থান'ৰ খেলপথাৰত অনুষ্ঠিত হোৱা "গুৱাহাটী সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা-২০১২" পালো। গ্ৰন্থমেলালৈ যোৱা এইটোৱেই মোৰ প্ৰথম অভিজ্ঞতা। ইয়াৰ পূৰ্বে মই গ্ৰন্থমেলাৰ বিষয়ে মাথো শুনিছিলো তাত গৈ গ্ৰন্থবিপনীবোৰ দেখি মই অভিভূত হৈ পৰিছিলো। চাৰিওপিনে কিতাপৰ ডাঙৰ ডাঙৰ দোকান আৰু তাত কিতাপবোৰ বৰ সুন্দৰকৈ সজাই ৰাখিছে। তাৰ দোকানবোৰ আমাৰ স্থানীয় দোকানবোৰতকৈ বহুত বেলেগ। সচৰাচৰ বিচাৰি নোপোৱা পুথিবোৰ সহজে পোৱা যায়। ইয়াৰ পিছত আমি "শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ" পালো। তাত গৈ আমি প্ৰথমে ড° ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ত প্ৰৱেশ কৰিলো...

### লিজুমণি দেৱী

আমি আমাৰ বিভাগৰ হৈ গুৱাহাটী চানমাৰিত হোৱা গ্ৰন্থমেলালৈ গৈছিলো। যাত্ৰাপথত আমি যেতিয়া ৰাজাপাৰা পাইছিলো, তাৰ হোটেল এখনত সোমাই আমি আটাইয়ে চাহ আৰু আমাৰ বান্ধৱী কাঞ্চনে লৈ যোৱা ব্ৰেড আৰু কল খালো। তাৰ পিছত আমি যাত্ৰা আৰম্ভ কৰিলো। এনেদৰে হাঁহি ফুৰ্তি কৰি গান গাই গৈ গৈ ১১.৩০ মান বজাত গ্ৰন্থমেলা পাইছিলো। গ্ৰন্থমেলাত মই মাৰ বাবে দিহানামৰ কিতাপ আৰু লগতে মোৰ মনোগ্ৰাহী বহুত কিতাপ কিনিলো...


### ৰুণুমাই ৰাভা

আমি আমাৰ যাত্ৰা এইবাৰ কলাক্ষেত্ৰলৈ আৰম্ভ কৰিলো। এই যাত্ৰাপথত আমি মিনতি বাইদেউৰ ঘৰত সোমাই ফ্ৰেচ হৈ লৈছিলো আৰু তেতিয়াই মোৰ মনত ভাৱ আহিছিল মই যদি নাহিলোহে তেতিয়া হ'লে মই বাইদেউৰ ঘৰখন কেনেকৈ দেখা পালোহেঁতেন। তাৰ পৰা ওলাই আমি কলাক্ষেত্ৰত উপস্থিত হ'লো। প্ৰৱেশ কৰাৰ পিছত মিনতি বাইদেউয়ে ফোনেৰে মতা বাইদেউৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট শিল্পী মধুসূধন দাস ছাৰ আহি পোৱাত তেওঁক আমাৰ লগত চিনাকি কৰি দিলে। তেখেতে আমাক কলাক্ষেত্ৰখন চোৱাত সহায় কৰি দিছিল। প্ৰথমতে অসমৰ বিখ্যাত লোক হিচাপে পৰিচিত ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতি জড়িত সংগ্ৰহালয়টোলৈ সোমাই তেখেতৰ বস্তুবোৰ নিজ চকুৰে চাই মোৰ বহুত ভাল লাগিছিল...

### প্ৰণৱ কুমাৰ নাথ

মই যদিও এই ভ্ৰমণত উপস্থিত থাকিব নোৱাৰিলো তথাপি বন্ধু-বান্ধৱী সকলে ভ্ৰমণৰ পৰা উভতি অহাত তেওঁলোকৰ পৰা সকলো কথা পুংখানুপুংখকৈ নোসোধাকৈ থাকিব নোৱাৰিলো। তেওঁলোকৰ পৰা গম পালো যে, সকলোৱে গাড়ীত আন্ত্যাক্ষৰী খেলিছে, সন্তোষ, নীপজ্যোতিহতে চিঞৰি চিঞৰি গান গাইছে, ছোৱালীবোৰে নাচিছে, গান গাইছে লগতে জগবন্ধু ছাৰেও গান গাইছে। এই সকলোবোৰ আনন্দৰ পৰা বঞ্চিত হৈ মই বাৰুকৈয়ে দুখ অনুভৱ কৰিছো। লগতে তেওঁলোকে গ্ৰন্থমেলাত সাধাৰণ কিতাপ দোকানবোৰত নোপোৱা কিছুমান কিতাপৰ বিষয়ে জানিব পাৰিছে আৰু আমাৰ পূজনীয় মিনতি বাইদেউৰ ঘৰলৈ যোৱাৰ সুযোগ পাইছে। ❑

*যুগুতালে দুধনৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকাই*



# মহাপুৰুষ শংকৰদেৱৰ নাটত কৃষ্ণভক্তি মাহাত্ম্য

ড° হৰ কুমাৰ নাথ

অসমীয়া সমাজ তথা সাংস্কৃতিক ক্ষেত্ৰলৈ শ্ৰীমন্ত শংকৰদেৱে যি মহান অৱদান আগবঢ়াইছিল তাৰ ফলশ্ৰুতিতে অসমীয়া জাতীয় আৰু সাংস্কৃতিক জীৱনধাৰা গঢ় লৈ উঠাত সহায়ক হৈ পৰিছিল। একশৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি গুৰুজনাই যি সমূহ পন্থ অৱলম্বন কৰিছিল; তাৰ ভিতৰত নাট্যকলাকো বিশেষ গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। কিয়নো নাট্যকলাৰ সমাদৰ অসমত প্ৰাচীন কালৰ পৰাই প্ৰচলিত আছিল। সেয়ে ধৰ্মপ্ৰচাৰৰ মাধ্যমৰূপে নাট্যকলাক প্ৰয়োগ কৰিছিল। গুৰুচৰিত মতে প্ৰথম নাট চিহ্নযাত্ৰাৰ সফলতাৰ পিচতেই মহাপুৰুষজনাই নাট ৰচনাত মনোনিবেশ কৰে। ৰামচৰণ ঠাকুৰৰ মতে মহাপুৰুষজনাই জয়ন্ত, মাধব, কৰ্ণপুৰ, চৰ্তুৰ্ভুজ, বুঢ়াখা আদি ভকতৰ অনুৰোধ ক্ৰমে নাট্যাভিনয় আৰম্ভ কৰিছিল। 'চিহ্নযাত্ৰা'ত শ্ৰীমন্ত শংকৰদেৱে সংলাপতকৈও বিষ্ণু বা শ্ৰীকৃষ্ণৰ মহিমা প্ৰদৰ্শন কৰাবলৈহে বেছি গুৰুত্ব দিছিল। সপ্ত বৈকুণ্ঠৰ পট নিৰ্মাণ আৰু দৰ্শন তথা বিষ্ণুৱৰ শশৰীৰী ৰূপদৰ্শনে দৰ্শকক যথেষ্ট পৰিমাণে আকৰ্ষিত কৰিছিল। এনেকি শ্ৰীমন্ত শংকৰদেৱ নিজও এক বৈকুণ্ঠত ঈশ্বৰৰ ভাও দিয়া বুলি চৰিত পুথিত উল্লেখ পোৱা যায়।

অঙ্কীয়া নাটত বিষ্ণু বা কৃষ্ণ হ'ল পৰমপুৰুষ, পুৰুষোত্তম, তেঁৱেই সনাতন আৰু তেঁৱেই নাৰায়ণ শ্ৰীকৃষ্ণ। 'কালিদমন' নাটত এইৰূপ শ্ৰীকৃষ্ণ মহিমা বৰ্ণনা শ্লোকত উল্লেখ কৰিছে—

*মেঘ শ্যামল মূৰ্ত্তিমায়ত মহাবাহুং মহোৰস্‌স্থলম্।*
*আৰক্তায়ত কক্তলোচনযুগং পীতাম্বৰং সুন্দৰম্।।*

*মুক্তাহীৰ কহে মহাবলয়ালঙ্কাৰ কান্তি দ্যুতিং।*
*কৃষ্ণং শাৰদ সান্দচন্দ্ৰ সদৃশাং হৃদ্‌পঙ্কজেহহস্তেজে।।*
*অপিচ*
*যেনা কাৰি মহাহি দৰ্পদলন ক্ৰীড়া হ্ৰদিন্যা জলে।*
*যেনা ভাজি ভুজঙ্গভোগনিখিলং পদ্ভ্যাং মুদা মৰ্দ্দিতম্‌।।*
*যেনা মাৰি মহাসুৰচুমচত্ৰং পৰং লীলয়া।*
*তস্মৈ শ্ৰীকৰুণাময়ায় মহতে কৃষ্ণায় নিত্যং নং।*[১]

'কালিদমন' নাটখনত সূত্ৰধাৰৰ বচনত পুনৰ কোৱাইছে— "আহে সভাসদ লোক, যে জগতক পৰম গুৰু পৰম পুৰুষ পুৰুষোত্তম সনাতন ব্ৰহ্মামহেশ সেবিতচৰণ পঙ্কজ নাৰায়ণে শ্ৰীশ্ৰীকৃষ্ণ উহি সভামধ্যে কালিদমন নাম লীলা যাত্ৰা কৌতুকে কৰব, তাহে সাবধানে দেখহ শুনাহ। নিৰন্তৰে হৰি বোল হৰি।" সূত্ৰধাৰৰ বচনত বৰ্ণিত কৃষ্ণকথাৰ লগে লগে মঞ্চত যেতিয়া পাৰ্থিব শৰীৰেৰে কৃষ্ণ উপস্থিত হয়, তেতিয়া সাধাৰণ দৰ্শকে অভিনয়ৰ কথা পাহৰি গৈ কৃষ্ণ ৰসত দ্ৰবীভূত হৈ পৰে।

'কালিদমন'ৰ এই কাহিনী হৰিবংশ, বিষ্ণুপুৰাণ আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণতো আছে। কিন্তু গুৰুজনাই এই কাহিনী গ্ৰহণ কৰিছে ভাগৱতৰ পৰা। ভাগৱতৰ দশম স্কন্ধৰ ১৫শ অধ্যায়ৰ পৰা ১৯শ অধ্যায়লৈকে গ্ৰহণ কৰিছে। প্ৰতীকধৰ্মীতাৰ জৰিয়তে ঈশ্বৰৰ মহিমা প্ৰচাৰৰ উদ্দেশ্য প্ৰতিফলিত হৈছে। কালিনাগ হ'ল দুষ্ট তথা দুৰ্দ্দান্ত অপশক্তিৰ প্ৰতীক, যি সৰ্ব্ব সাধাৰণৰ উৎপীড়ক আৰু অত্যাচাৰী। ভগবান শ্ৰীকৃষ্ণ দুষ্টক দমন কৰোতা আৰু সাধুক পালন কৰোতা। বিষ্ণুৱে পৃথিৱীত কৃষ্ণৰূপে অৱতাৰ গ্ৰহণ কৰাৰ উদ্দেশ্যই হৈছে— 'পৰিত্ৰাণায়া সাধুনাং ৱিনাশায় চ দুষ্কৃতাম্‌।" শ্ৰীকৃষ্ণই কালিনাগক দমন কৰিছে আৰু মহাপাপৰ পৰা উদ্ধাৰো কৰিছে। কালিনাগ কালিহ্ৰদত বাস কৰি তাৰ বিষাক্ত দেহ-মনেৰে হ্ৰদৰ পৰিৱেশ বিষাক্ত কৰি তুলিছিল। গুৰুজনাই এই চৰিত্ৰটিৰ জৰিয়তে পাপ সাগৰত ডুব গৈ থকা মানুহকহে বুজাবলৈ যত্ন কৰিছে। যিয়ে নিজে পাপ সাগৰত ডুব গৈ থাকে, সি আনকো আকৰ্ষিত কৰে। গতিকে সাংসাৰি সদাচাৰী ব্যক্তিসকলে পাপ সদৃশ সংসাৰৰ জ্বলা-যন্ত্ৰণা আদিৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায় হৈছে— ঈশ্বৰৰ দৰ্শন লাভ কৰা। ঈশ্বৰৰ দৰ্শন লাভ কৰিব পাৰি একমাত্ৰ সৎ আৰু উপযুক্ত গুৰুৰ পৰাহে। গুৰুৰ সংস্পৰ্শই হৈছে সাংসাৰিকৰ বাবে আপদকালৰ ঔষধ স্বৰূপ।

কেলিগোপাল নাটত উল্লিখিত কৃষ্ণ পৈনত বয়সৰ। শৰৎকালৰ পূৰ্ণিমা নিশাত ৰাসক্ৰীড়া কৰিবলৈ শ্ৰীকৃষ্ণই বাঞ্ছা

**ভগবান শ্ৰীকৃষ্ণ দুষ্টক দমন কৰোতা আৰু সাধুক পালন কৰোতা। বিষ্ণুৱে পৃথিৱীত কৃষ্ণৰূপে অৱতাৰ গ্ৰহণ কৰাৰ উদ্দেশ্যই হৈছে— 'পৰিত্ৰাণায়া সাধুনাং ৱিনাশায় চ দুষ্কৃতাম্‌।" শ্ৰীকৃষ্ণই কালিনাগক দমন কৰিছে আৰু মহাপাপৰ পৰা উদ্ধাৰো কৰিছে। কালিনাগ কালিহ্ৰদত বাস কৰি তাৰ বিষাক্ত দেহ-মনেৰে হ্ৰদৰ পৰিৱেশ বিষাক্ত কৰি তুলিছিল। গুৰুজনাই এই চৰিত্ৰটিৰ জৰিয়তে পাপ সাগৰত ডুব গৈ থকা মানুহকহে বুজাবলৈ যত্ন কৰিছে। যিয়ে নিজে পাপ সাগৰত ডুব গৈ থাকে, সি আনকো আকৰ্ষিত কৰে। গতিকে সাংসাৰি সদাচাৰী ব্যক্তিসকলে পাপ সদৃশ সংসাৰৰ জ্বলা-যন্ত্ৰণা আদিৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায় হৈছে— ঈশ্বৰৰ দৰ্শন লাভ কৰা। ঈশ্বৰৰ দৰ্শন লাভ কৰিব পাৰি একমাত্ৰ সৎ আৰু উপযুক্ত গুৰুৰ পৰাহে।**

কৰিলে। সেয়ে সংগীতৰ মধুৰ ধ্বনি তুলিলে আৰু সেই ধ্বনি শুনি ব্ৰজবালা সবে বিমোহিত হৈ পৰিল। ফলস্বৰূপে গোপজায়াসকলে নিজৰ পতিৰ অলক্ষিতে কৃষ্ণ দৰ্শনৰ বাবে ধাবিত হ'ল—

*অখণ্ড মণ্ডল শশী শৰত ৰাত্ৰিত।*
*শশাঙ্ক কোমল নৱ পল্লৱে বিকশিত।।*
*লহু লহু বহে মন্দ মলয় পবন।*
*ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।*
*উচায়া পঞ্চম পুৰি হৰি গাইলা গীত।*
*শুনি ব্ৰজবালা সব ভৈলা বিমোহিত।।*
*পতিসুত তেজল মঙ্গল প্ৰেম সিন্ধ।*
*হৃদয়ে ধৰল মাধৱক বোলি বন্ধু।।*

*কৃষ্ণক দেখিতে মনে সবে গোপজায়া।*
*ললে অলক্ষিতে পতিসুত উপেখিয়া।*[২]

যিসকল গোপীয়ে পতিৰ বন্ধনৰ পৰা মুক্ত হৈ কৃষ্ণদৰ্শনৰ বাবে ওলাই আহিল সেইসকল গোপীয়ে বাধা-বিঘিনি নোহোৱাকৈয়ে কৃষ্ণক লাভ কৰিবলৈ সক্ষম হ'ল। আকৌ যিসকল গোপীক পতিয়ে দ্বাৰ বন্ধ কৰি ৰাখিলে সেইসকল গোপীয়ে হৃদয়ত কৃষ্ণ ধ্যানত মগ্ন হ'ল—

*যা গোপাঃ পাৰ্শ্বম প্ৰাপ্তা নিৰুদ্ধা পতিদেবৰৈ।*
*হৃদি গোবিন্দ-চৰণং বিচিন্ত্য বিজহুস্তনুঃ।।*[৩]

অজ্ঞানী, অনাচাৰী গোপীসকলে কামভাবেৰে কেবল কৃষ্ণচৰণ চিন্তা কৰাত তৎকালে পৰম গতি লাভ কৰিলে। কৃষ্ণভক্তিৰ এয়ে চৰম মাহাত্ম্য। গোপীসকলে যেতিয়া কৃষ্ণৰ ওচৰ পাইছিল তেতিয়া চতুৰ কৃষ্ণই সুধিছিল— 'হে সখীসব! কমন উৎপাত গোকুলে মিলল, কি নিমিত্ত ৰজনী লৱৰিকহু বন মধ্যে ইহা আৱল?'' উত্তৰত গোপীসবে কৈছে— 'হে পৰমেশ্বৰ! নাহি নাহি কিছু শঙ্কা।' কিন্তু গোপীসকলে কি প্ৰয়োজনত শ্ৰীকৃষ্ণৰ ওচৰত আহিছে বুলি সুধিলে তেতিয়া গোপীসকল লজ্জিত হৈ তলমূৰ কৰিলে। শ্ৰীকৃষ্ণই পুনৰ বুজাবলৈ চেষ্টা কৰিছে— 'গোপীসবে পতি পুত্ৰ, পিতা মাতা আদি সকলোকে এৰি অহা বাবে তেওঁলোক নিশ্চয় চিন্তিত হৈ পৰিছে। গতিকে গোপীসবে বিলম্ব নকৰি উভতি গৈ তেওঁলোকৰ ভয়-চিন্তা দূৰ কৰক। শ্ৰীকৃষ্ণৰ পৰিহাসপূৰ্ণ কথাত গোপীসকল অতিকৈ লজ্জিত হ'ল। তেওঁলোকৰ শৰীৰ-মনত কামনাৰ চিহ্ন প্ৰস্ফুটিত হ'বলৈ ধৰিলে। অৱশেষত গোপীসকলে উপলব্ধি কৰিলে এয়া তেওঁলোকৰ কাম ভাবৰ পৰিস্ফুৰণ নহয়। এয়া হ'ল ঐকান্তিক ভক্তৰ ভগবানৰ লগত মিলিত হোৱাৰ বাসনা। ভক্তই ঈশ্বৰক সকলো ৰূপতে লাভ কৰিব পাৰে। কোনোবাই পতিৰূপে, কোনোবাই ভ্ৰাতৃৰূপে, কোনোবাই পুত্ৰ আৰু কোনোবাই বন্ধুৰূপে। সেয়ে গোপীসকলেও তেওঁলোকৰ উপলব্ধি ব্যক্ত কৰিলে— 'হে স্বামী, তোহাৰি গীতে মোহিত হুয়া পতিসুতসব ছোড়ি তযু পদ সমীপ পাৱল। তোহো দাৰুণ বাক্য বোলইছ। হে পৰমেশ্বৰ, তযু মুখপঙ্কজ ছোড়ি হামাৰ পাৱ খোজেকো চলয়ে নাহি; ব্ৰজে গিয়া কা কৰবো স্বামী? যে লখিমী গোসানী হৃদয়ে স্থান লভিক তথাপি ওহি পদ পঙ্কজৰেণু আশা কৰিয়ে ওহি চৰণ সেৱা কৰিতে ধৰম অৰথ কাম মোক্ষ চাৰি সুখে পদাৰথ সুখে পাই, ঐচন তোহাৰি পদপঙ্কজ। ইহা ছাড়িতে প্ৰাণ ফুটি যাই। হে পৰমেশ্বৰ স্বামী তব পদ পঙ্কজ তেজয়ে নাহি পাৰি।'[৪] গোপীসকলৰ এই অৱস্থা দেখি শ্ৰীকৃষ্ণই প্ৰবোধ দিলে— 'হে সখীসব তোৱাসব পৰম ভকত। হামাৰ প্ৰাণতোধিক। হামু পৰিহাস কেলি কৌতুক কয়ল। তাহে নাহি বুঝল। দুখ ছোড়হ। তোৱাসবক মনোৰথ পুৰি ক্ৰীড়া কৌতুক কৰব।'[৫] অৱশেষত গোপীসকলৰ মনোৰথ পূৰ্ণ হ'ল। পৰম অনাচাৰী গোপ স্ত্ৰীসকলে কাম ভাবেৰে হৰিগুণ গাই পৰম গতি লাভ কৰিলে। হৰি ভকতিৰ এনেকুৱাই মহিমা। ঈশ্বৰে আচাৰী-অনাচাৰী এইৰূপ বিচাৰ নকৰে।

জন্ম, জন্মান্তৰবাদ আদি কথাৰ উল্লেখ গুৰুজনাৰ নাটতো পোৱা যায়। জীৱই কোটি কোটিবাৰ জন্মগ্ৰহণ কৰে। কিন্তু এই জন্মৰ সাৰ্থক হয় তেতিয়া, যেতিয়া জীৱই সৎ কৰ্ম, সৎ আচৰণ আৰু ঈশ্বৰৰ চিন্তাত একান্তভাৱে নিমজ্জিত হ'ব পাৰে। কলিযুগত কৃষ্ণগুণ নাম শ্ৰবণেই জীৱৰ পৰিত্ৰাণৰ একমাত্ৰ উপায়। সেয়ে 'কেলি-গোপাল' নাটত কৈছে— 'আহে লোকাই, এহি ভাৰতবৰিযে নৰতনু কৌটি কলপ অন্তৰো জীনে নাহি পাই। বিশেষত কলিযুগে কৃষ্ণ-গুণ নাম শ্ৰৱণ-কীৰ্ত্তন বিনে গতি নাহি নাহি।''

'পাৰিজাত হৰণ নাট'ত শ্ৰীকৃষ্ণ সাধাৰণ মানবৰূপে সকলোকে মোহিবলৈ চেষ্টা কৰিছে। শ্ৰীকৃষ্ণৰ মায়াৰ অন্ত নাই। সাধাৰণ মানুহে শ্ৰীকৃষ্ণক তেওঁলোকৰ দৰেই মাটিৰ মানুহৰূপে জ্ঞান কৰাটোও তেওঁৰেই মায়া। নাৰদে এপাঁহ পাৰিজাত ফুল আনি কৃষ্ণৰ হাতত দিলে, — ফুলপাহ ৰুক্মিণীৰ খোপাত পিন্ধাই দিলে। সাধাৰণ মানুহৰ দৰেই এই আচৰণ। নাৰদ মুনিকো একে প্ৰকাৰে সম্বোধন কৰিলে— 'হে মুনিৰাজ, তুহু কুশলে আৱল? তোহাৰি আগমনে আজু হামাৰি দ্বাৰকাপুৰি পবিত্ৰভেল। তোহাৰি দৰশনে হামু কৃতাৰ্থ ভেলো।'[৬] চতুৰ নাৰদে শ্ৰীকৃষ্ণৰ চলাহিত মোহিত নহ'ল। শ্ৰীকৃষ্ণই ধৰাতলত মানৱ তনুৰে সকলোকে মোহিব পাৰিছে; কিন্তু নাৰদক নোৱাৰে— 'হে স্বামী কৃষ্ণ, মনুষ্য চেষ্টা দেখায়া সকলোক মোহিছ। তোহাক ঈশ্বৰ জানয়ে নাহি। হামু তোহাৰি ভকতিৰ বলে সব জানি। হামাকু মোহিতে চাব?' শ্ৰীকৃষ্ণ যে ত্ৰিজগতৰ পতি ঈশ্বৰ সেই কথা গুৰুজনাই 'পাৰিজাত হৰণ' নাটকখনত নাৰদ মুনিৰ মুখেৰে বৰ্ণনা কৰাত শ্ৰীকৃষ্ণৰ স্পষ্টতা অধিক হৈ পৰিছে। নাৰদ ঈশ্বৰৰ ঐকান্তিক ভক্ত। ঐকান্তিক ভক্তৰ বাহিৰে অইনে তেওঁক ভালকৈ জানিব নোৱাৰে। সেয়ে নাৰদে কৈছে যিজন জগতৰ উদ্ধাৰকৰ্তা, যিজনৰ নাম ল'লেই জীৱই মুকুতি পদ পায়, সেইজন দেৱেই আকৌ নাৰদক তুতি নতি কৰে—

*কৃষ্ণস্য বচনং শ্ৰুত্বা বিহস্যোবাচ নাৰদঃ।*

*নিজ ভৃত্যন্তৰৈ ৰাহং মযি মায়াং কৰোষি কিম্।*[৮]

সেয়ে নাৰদে কৈছে, 'হে কৃষ্ণ তোহো পৰম পুৰুষ নাৰায়ণ। ভূমিক ভাৰহৰণ নিমিত্তে অৱতৰিছ।'

শ্ৰীকৃষ্ণই সত্যভামাৰ বাবে পাৰিজাত খুজি নাৰদক পঠিয়ালে কিন্তু নাৰদ গৈ খালি হাতে উভতি আহিল। দেবৰাজ ইন্দ্ৰই পাৰিজাত নিদিয়া কথাটো তিলকে তাল কৰি বৰ্ণালে। ফলস্বৰূপে ইন্দ্ৰৰ সতে বাসুদেৱৰ যুদ্ধ হ'ল। যুদ্ধত ইন্দ্ৰই হাৰি পলাবলৈ ধৰিলে। তাকে দেখি সত্যভামা মহা আনন্দিত হৈ ইন্দ্ৰক ককৰ্থনা কৰিবলৈ ধৰিলে। সত্যভামাৰ তিৰস্কাৰ বাণীত ৰ'ব নোৱাৰি শ্ৰীকৃষ্ণ যে জগতৰ পতি, ব্ৰহ্মা মহেশেও যাক সেৱে সেইজনেই যে পৰম গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ এই সত্যকে প্ৰত্যুত্তৰত ইন্দ্ৰই কৈছে— 'অয়ে সত্যভামা, ওহি শ্ৰীকৃষ্ণক যত পতনী থিক তাহেৰ মধ্যে তুহু কৰি প্ৰচণ্ড প্ৰগল্ভা ইহা হামো জানলো। কি নিমিত্তে হামাক অতয়ে নিন্দা কদৰ্থনা কৰহ? দেখো ওহি কোটি ব্ৰহ্মাণ্ডেশ্বৰ মহা মহেশ সেবিত-পাদ পঙ্কজ জগতক পৰম গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ, তাহেত হামু যুদ্ধ হাৰল। ইহতে হামু কোন লাজ থিক? তোহো স্ত্ৰী জাতি কিছু বুজয়ে নাহি।'[৯]

'পাৰিজাত হৰণ' নাটৰ শ্ৰীকৃষ্ণ মহাবীৰ, মনুষ্যৰূপে অৱতাৰ গ্ৰহণ কৰা পৰমপুৰুষ, ভগবান হ'লেও দৰাচলতে পত্নীবৎসল এজন সাধাৰণ পতিহে। পত্নীৰ সুখৰ কাৰণে তেওঁ সকলো কৰিব পাৰে। পাৰিজাত পুষ্পৰ বাবে ইন্দ্ৰৰ স'তে যুদ্ধ কৰিব পাৰে। পত্নী সত্যভামাৰ ঠেহ ভাঙিবৰ বাবে নৰকাসুৰ নিধনৰ বাবে ওলোৱা যুদ্ধ ক্ষেত্ৰলৈও পত্নীক লগত লৈ যাবলৈ পিছ পৰি নাথাকিল। নাৰদৰ দ্বাৰা ককৰ্থনাও কৰা হ'ল— 'হে কৃষ্ণ, জানলো, তুহু স্ত্ৰীক লাগি দেৱকাৰ্য্য সব পৰিহৰল। তোহোক ভাৰ্য্যাক চাটু বুলিতে সব দিবস গেল।'[১০]

শ্ৰীকৃষ্ণৰ সতে সত্যভামায়ো যুদ্ধক্ষেত্ৰলৈ ওলোৱা বাবে নাৰদৰ তিৰস্কাৰ বাণীত স্ত্ৰীবল্লভ কৃষ্ণৰূপ স্পষ্টকৈ প্ৰকাশ পাইছে— 'হে হৰি তুহু সম স্ত্ৰী-জিত পুৰুষক বহু নাহি দেখি; যুদ্ধ সময়ে স্ত্ৰীক ছোড়য়ে নাহি পাৰহ। তুহু জগতক গুৰু, তোহোক যশ গাই তিনিলোকে বেড়াও। আঃ হামাক লাজ ভেল।'[১১]

> ***'হে হৰি তুহু সম স্ত্ৰী-জিত পুৰুষক বহু নাহি দেখি; যুদ্ধ সময়ে স্ত্ৰীক ছোড়য়ে নাহি পাৰহ। তুহু জগতক গুৰু; তোহোক যশ গাই তিনিলোকে বেড়াও। আঃ হামাক লাজ ভেল।'***

শ্ৰীকৃষ্ণ যেন সাধাৰণ পুৰুষৰ দৰেই স্ত্ৰীৰ ওচৰত হাৰ মানি লোৱা পুৰুষ। সত্যভামাক লগত লৈ নগ'লে তেওঁ প্ৰাণ এৰিব পাৰে। গতিকে নাৰদ ঋষিৰ ওচৰত তেওঁৰ ব্যৰশঃ অৱস্থা প্ৰকাশ কৰিছে— 'হে মুনিৰাজ, কৈ কৰব? পাৰিজাতক নিমিত্ত সত্যভামা প্ৰাণ ছাড়য়। উন্নিকাৰ নিৰ্বন্ধ কত সহব?'

শ্ৰীকৃষ্ণৰ উত্তৰত নাৰদে সহ্য কৰিব নোৱাৰি শ্ৰীকৃষ্ণ অৱতাৰৰ গুঢ় ৰহস্য ভেদ কৰিবলৈ গৈ পৰম পুৰুষক এজন সাধাৰণ কামাতুৰ পুৰুষৰ লগত তুলনা কৰিছে— 'হে কৃষ্ণ, কামাতুৰ পুৰুষক ঐচন অৱস্থা। স্ত্ৰী যে আজ্ঞা কৰে, সে অৱশ্যে কৰিতে লাগে।'

'পাৰিজাত হৰণ' নাট ৰচনাৰ উদ্দেশ্য সূত্ৰধাৰৰ মুখেৰে গুৰুজনাই ব্যক্ত কৰাইছে— 'ওহি পাৰিজাত হৰণ হৰিক পৰম লীলা চৰিত্ৰ শ্ৰদ্ধায়ে যে সবে শুনে ভণে কৃষ্ণ চৰণে তোহাৰি পৰম ভকতি বাঢ়ব।' গুৰুজনাই উল্লেখ কৰা এই ভক্তি হ'ল পৰাভক্তি। এই ভক্তি নাৰদৰ ভক্তিৰ অনুৰূপা।

'পত্নী প্ৰসাদ' নাটৰ কৃষ্ণ গোপ বালক। বলোভদ্ৰ আৰু আন বালকসকলৰ সৈতে তেওঁ গৰু চৰাবলৈ গৈ ভোকাতুৰ হৈ পৰিছে। ভোকত বালকসকলে শ্ৰীকৃষ্ণ তথা বলোৰামক কৈছে— 'হে ৰাম, হে কৃষ্ণ, তুহু আমাৰ পৰম জীৱন, আজু পৰভাতে ভোজন কয় নাহি। হাম দধি অন্নসঙ্গে নাহি আনল। ক্ষুধাএ পৰম পিড়িত হৈ আছি। ইহা জানি ক্ষুধা নিবাৰন উপায় চিন্তহ।'[১৪]

গোপ বালকসকলৰ শ্ৰীকৃষ্ণৰ প্ৰতি এই আবদাৰত নিহীত হৈ আছে বিশ্ৰম্ভাতা কৃষ্ণবিষয়ক সখ্যৰতি। এই সখ্যৰস প্ৰণয়, প্ৰেম, স্নেহ, আৰু ৰাগত পৰিণত হ'ব পাৰে। নাটখনত দেখুওৱা হৈছে— ভক্ত ভগবানৰ উভয়েৰেই ভালপোৱা অৰ্থাৎ কেৱল যে ভক্তই ভগবানৰ সেৱা কৰে তেনে নহয়, ভগবানেও ভক্তৰ সেৱা কৰে। ভক্তৰ মনত ভগবানৰ ঐশ্বৰ্যবোধ জাগ্ৰত হৈ নাথাকে। থাকে মাত্ৰ পাৰস্পৰিক বিশ্বাস।

শ্ৰীকৃষ্ণ আৰু ব্ৰাহ্মণীসকলৰ সম্বন্ধ ভক্ত আৰু ভগবানৰ সম্বন্ধ। 'পত্নীপ্ৰসাদ' নাটত শ্ৰীকৃষ্ণৰ মুখেৰেই এই কথা ব্যক্ত হৈছে—

*তথাপি প্ৰাৰ্থনা নেইৰে সুন সখিগন।*
*বিপ্ৰপত্নি সবত মাগিয়ো গৈয়া অন্ন।।*
*সিতো স্ত্ৰীসৰ মোৰ ভক্ত বিপৰীত।*
*দেহা মাত্ৰ গৃহত মোতেসে মাত্ৰ চিত্ত।*[১৩]

ব্ৰাহ্মণ পত্নীসকলে শ্ৰীকৃষ্ণৰ নাম শুনা মাত্ৰকে কৃষ্ণদৰ্শনৰ



বাবে উদ্বাউল হৈ পৰিল। পৰম হৰষিত মনেৰে শ্ৰীকৃষ্ণৰ বাবে পৰমসুগন্ধি অন্ন, ব্যঞ্জন, পিঠাপনা, শুক্ৰুচেনী আদি লৈ কৃষ্ণৰ কাষ চাপিল। তেওঁলোকে ব্ৰাহ্মণসকলৰ হকাবধাকো কানসাৰ নকৰিলে। তেওঁলোক কৃষ্ণদৰশনৰ বাবে অহা হৰিভকত। হৰি ভকতক বিঘিনিয়ে লঙ্ঘিব নোৱাৰে। সেয়ে ব্ৰাহ্মণীসকলে শ্ৰীকৃষ্ণক কৈছে— 'হে শ্ৰীকৃষ্ণ, তুহু ভকত বৎসল। বেদত শাস্ত্ৰত হামু শুনৈছি ভকতৰ নষ্ট নাহি। সেহি বচন সফল কৰহ। হামাক তেজব নাহি। সেহি পতিপুত্ৰ সবে হামাক থান নাহি দেৱব। হামু গৃহে কমনে বঞ্চব তোহাৰি চৰন নিৰ্ম্মাল্য তুলসী তাহে শিৰে ধৰিকহু দাসী হুয়া ৰহব।'[১৪]

ব্ৰাহ্মণীসকলে সকলো ত্যাগ কৰি শ্ৰীকৃষ্ণৰ পদপদ্মত জীৱন উচৰ্গা কৰিবলৈ ওলোৱাত শ্ৰীকৃষ্ণই অশেষ বুজনি দিলে। দেৱতাসকলকো দৰ্শন কৰালে। তথাপি তেওঁলোক উভতি নোযোৱা বাবে ভক্তিধৰ্মৰ গূঢ়তত্ত্ব ব্যাখ্যা কৰি ক'লে যে ঈশ্বৰৰ পৰা দূৰত থাকিয়ে শ্ৰবণ কীৰ্ত্তন ভক্তিৰে সেইজনাক বশ কৰিব পাৰি। ঈশ্বৰৰ ওচৰত থাকিলে সেই ৰূপে ভকতি কৰিব নোৱাৰি। সদায় অমৃত পান কৰি থকাজনৰ অমৃতৰ প্ৰতি ৰুচি নাথাকে। গতিকে ব্ৰাহ্মণীসকলে উভতি গৈ গৃহাশ্ৰমত থাকিয়ে শ্ৰবণকীৰ্তনৰ জৰিয়তে ঈশ্বৰৰ গুণানুকীৰ্তন কৰিলেহে ঈশ্বৰক লাভ কৰিব।

'ৰুক্মিণী হৰণ' নাটত শ্ৰীকৃষ্ণৰ প্ৰেমিক ৰূপৰ মাহাত্ম্য সুন্দৰকৈ প্ৰকাশ পাইছে। ভিক্ষুকৰ মুখে ৰুক্মিণীৰ ৰূপ গুণ শুনি সাধাৰণ পুৰুষৰ দৰে উদ্বাউল হৈ পৰিছে। বিৰহানলত আকুল হৈ সৰ্বত্ৰ ৰুক্মিণীময় দেখিছে— 'ওহি পৰকাৰে শ্ৰীকৃষ্ণ প্ৰিয়াক বিৰহানলে আকুল হুয়া হা ৰুক্মিণী হা ৰুক্মিণী মাত্ৰ বাক্য ফোকাৰি কহু ৰুক্মিণীময় মাত্ৰ দেখিয়ে সৰ্বথা ৰহল।'

'ৰুক্মিণী হৰণ' নাটত শ্ৰীকৃষ্ণৰ বীৰত্বৰ ৰূপৰো আভাস পোৱা যায়। শ্ৰীকৃষ্ণ অকলে ৰুক্মিণীহৰণৰ নিমিত্তে ওলোৱা বাবে মাকে যেতিয়া আশংকা কৰিলে তেতিয়া বলোৰামে মাক দৈৱকীক সান্ত্বনা দিছে এইদৰে— 'হে মাৰ! তুহু কৃষ্ণক নিমিত্ত কিছু চিন্তা কৰবি নাহি। যে শ্ৰীকৃষ্ণ একেশ্বৰে ত্ৰৈলোক্যক জিনিতে পাৰে, তাহাক আগু ৰাজাসব কোন বস্তু থিক।'

শ্ৰীমন্ত শংকৰদেৱৰ 'ৰামবিজয়' নাটখনৰ বাহিৰে বাকী আটাইকেইখন নাটতে বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্যৰূপ সুন্দৰৰূপে বৰ্ণিত হৈছে।

**গ্ৰন্থপঞ্জী ঃ**

১। শংকৰদেৱ, 'কালিদমন' নাট।
২। শংকৰদেৱৰ 'কেলিগোপাল' নাট।
৩। উক্ত গ্ৰন্থ।
৪। উক্ত গ্ৰন্থ।
৫। উক্ত গ্ৰন্থ।
৬। উক্ত গ্ৰন্থ।
৭। উক্ত গ্ৰন্থ।
৮। উক্ত গ্ৰন্থ।
৯। শ্ৰীশংকৰদেৱৰ 'পাৰিজাত হৰণ' নাট।
১০। শ্ৰীশংকৰদেৱৰ 'পাৰিজাত হৰণ' নাট।
১১। উক্ত গ্ৰন্থ।
১২। শ্ৰীশংকৰদেৱৰ 'পত্নীপ্ৰসাদ' নাট।
১৩। শ্ৰীশংকৰদেৱৰ 'পত্নীপ্ৰসাদ' নাট।
১৪। উক্ত গ্ৰন্থ ❑

*লেখক দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক*

*নিজ ভৃত্যন্তৰৈ ৰাহং মযি মায়াং কৰোষি কিম্।*[৮]

সেয়ে নাৰদে কৈছে, 'হে কৃষ্ণ তোহো পৰম পুৰুষ নাৰায়ণ। ভূমিক ভাৰহৰণ নিমিত্তে অৱতৰিছ।'

শ্ৰীকৃষ্ণই সত্যভামাৰ বাবে পাৰিজাত খুজি নাৰদক পঠিয়ালে কিন্তু নাৰদ গৈ খালি হাতে উভতি আহিল। দেৱৰাজ ইন্দ্ৰই পাৰিজাত নিদিয়া কথাটো তিলকে তাল কৰি বৰ্ণালে। ফলস্বৰূপে ইন্দ্ৰৰ সতে বাসুদেৱৰ যুদ্ধ হ'ল। যুদ্ধত ইন্দ্ৰই হাৰি পলাবলৈ ধৰিলে। তাকে দেখি সত্যভামা মহা আনন্দিত হৈ ইন্দ্ৰক ককৰ্থনা কৰিবলৈ ধৰিলে। সত্যভামাৰ তিৰস্কাৰ বাণীত ৰ'ব নোৱাৰি শ্ৰীকৃষ্ণ যে জগতৰ পতি, ব্ৰহ্মা মহেশেও যাক সেৱে সেইজনেই যে পৰম গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ এই সত্যকে প্ৰত্যুত্তৰত ইন্দ্ৰই কৈছে— 'অয়ে সত্যভামা, ওহি শ্ৰীকৃষ্ণক যত পত্নী থিক তাহেৱ মধ্যে তুহু কৰি প্ৰচণ্ড প্ৰগল্ভা ইহা হামো জানলো। কি নিমিত্তে হামাক অতয়ে নিন্দা কদৰ্থনা কৰহ? দেখো ওহি কোটি ব্ৰহ্মাণ্ডেশ্বৰ মহা মহেশ সেবিত-পাদ পঙ্কজ জগতক পৰম গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ, তাহেত হামু যুদ্ধ হাৰল। ইহতে হামু কোন লাজ থিক? তোহো স্ত্ৰী জাতি কিছু বুজয়ে নাহি।'[৯]

'পাৰিজাত হৰণ' নাটৰ শ্ৰীকৃষ্ণ মহাবীৰ, মনুষ্যৰূপে অৱতাৰ গ্ৰহণ কৰা পৰমপুৰুষ, ভগবান হ'লেও দৰাচলতে পত্নীবৎসল এজন সাধাৰণ পতিহে। পত্নীৰ সুখৰ কাৰণে তেওঁ সকলো কৰিব পাৰে। পাৰিজাত পুষ্পৰ বাবে ইন্দ্ৰৰ স'তে যুদ্ধ কৰিব পাৰে। পত্নী সত্যভামাৰ ঠেহ ভাঙিবৰ বাবে নৰকাসুৰ নিধনৰ বাবে ওলোৱা যুদ্ধ ক্ষেত্ৰলৈও পত্নীক লগত লৈ যাবলৈ পিছ পৰি নাথাকিল। নাৰদৰ দ্বাৰা ককৰ্থনাও কৰা হ'ল— 'হে কৃষ্ণ, জানলো, তুহু স্ত্ৰীক লাগি দেৱকাৰ্য্য সব পৰিহৰল। তোহোক ভাৰ্য্যাক চাটু বুলিতে সব দিবস গেল।'[১০]

শ্ৰীকৃষ্ণৰ সতে সত্যভামায়ো যুদ্ধক্ষেত্ৰলৈ ওলোৱা বাবে নাৰদৰ তিৰস্কাৰ বাণীত স্ত্ৰীবল্লভ কৃষ্ণৰূপ স্পষ্টকৈ প্ৰকাশ পাইছে— 'হে হৰি তুহু সম স্ত্ৰী-জিত পুৰুষক বহু নাহি দেখি; যুদ্ধ সময়ে স্ত্ৰীক ছোড়য়ে নাহি পাৰহ। তুহু জগতক গুৰু; তোহোক যশ গাই তিনিলোকে বেড়াও। আঃ হামাক লাজ ভেল।'[১১]

**'হে হৰি তুহু সম স্ত্ৰী-জিত পুৰুষক বহু নাহি দেখি; যুদ্ধ সময়ে স্ত্ৰীক ছোড়য়ে নাহি পাৰহ। তুহু জগতক গুৰু; তোহোক যশ গাই তিনিলোকে বেড়াও। আঃ হামাক লাজ ভেল।'**

শ্ৰীকৃষ্ণ যেন সাধাৰণ পুৰুষৰ দৰেই স্ত্ৰীৰ ওচৰত হাৰ মানি লোৱা পুৰুষ। সত্যভামাক লগত লৈ নগ'লে তেওঁ প্ৰাণ এৰিব পাৰে। গতিকে নাৰদ ঋষিৰ ওচৰত তেওঁৰ ব্যৰশঃ অৱস্থা প্ৰকাশ কৰিছে— 'হে মুনিৰাজ, কৈ কৰব? পাৰিজাতক নিমিত্ত সত্যভামা প্ৰাণ ছাড়য়। উন্নিকাৰ নিৰ্বন্ধ কত সহব?'

শ্ৰীকৃষ্ণৰ উত্তৰত নাৰদে সহ্য কৰিব নোৱাৰি শ্ৰীকৃষ্ণ অৱতাৰৰ গূঢ় ৰহস্য ভেদ কৰিবলৈ গৈ পৰম পুৰুষক এজন সাধাৰণ কামাতুৰ পুৰুষৰ লগত তুলনা কৰিছে— 'হে কৃষ্ণ, কামাতুৰ পুৰুষক ঐচন অৱস্থা। স্ত্ৰী যে আজ্ঞা কৰে, সে অৱশ্যে কৰিতে লাগে।'

'পাৰিজাত হৰণ' নাট ৰচনাৰ উদ্দেশ্য সূত্ৰধাৰৰ মুখেৰে গুৰুজনাই ব্যক্ত কৰাইছে— 'ওহি পাৰিজাত হৰণ হৰিক পৰম লীলা চৰিত্ৰ শ্ৰদ্ধায়ে যে সবে শুনে ভণে কৃষ্ণ চৰণে তোহাৰি পৰম ভকতি বাঢ়ব।' গুৰুজনাই উল্লেখ কৰা এই ভক্তি হ'ল পৰাভক্তি। এই ভক্তি নাৰদৰ ভক্তিৰ অনুৰূপা।


'পত্নী প্ৰসাদ' নাটৰ কৃষ্ণ গোপ বালক। বলোভদ্ৰ আৰু আন বালকসকলৰ সৈতে তেওঁ গৰু চৰাবলৈ গৈ ভোকাতুৰ হৈ পৰিছে। ভোকত বালকসকলে শ্ৰীকৃষ্ণ তথা বলোৰামক কৈছে— 'হে ৰাম, হে কৃষ্ণ, তুহু আমাৰ পৰম জীৱন, আজু পৰভাতে ভোজন কয় নাহি। হাম দধি অন্নসঙ্গে নাহি আনল। ক্ষুধাএ পৰম পিড়িত হৈ আছি। ইহা জানি ক্ষুধা নিবাৰন উপায় চিন্তহ।'[১৪]

গোপ বালকসকলৰ শ্ৰীকৃষ্ণৰ প্ৰতি এই আবদাৰত নিহীত হৈ আছে বিস্ৰম্ভাতা কৃষ্ণবিষয়ক সখ্যৰতি। এই সখ্যৰস প্ৰণয়, প্ৰেম, স্নেহ, আৰু ৰাগত পৰিণত হ'ব পাৰে। নাটখনত দেখুওৱা হৈছে— ভক্ত ভগবানৰ উভয়েৰেই ভালপোৱা অৰ্থাৎ কেৱল যে ভক্তই ভগবানৰ সেৱা কৰে তেনে নহয়, ভগবানেও ভক্তৰ সেৱা কৰে। ভক্তৰ মনত ভগবানৰ ঐশ্বৰ্যবোধ জাগ্ৰত হৈ নাথাকে। থাকে মাত্ৰ পাৰস্পৰিক বিশ্বাস।

শ্ৰীকৃষ্ণ আৰু ব্ৰাহ্মণীসকলৰ সম্বন্ধ ভক্ত আৰু ভগবানৰ সম্বন্ধ। 'পত্নীপ্ৰসাদ' নাটত শ্ৰীকৃষ্ণৰ মুখেৰেই এই কথা ব্যক্ত হৈছে—

*তথাপি প্ৰাৰ্থনা নেইৰে সুন সখিগন।*
*বিপ্ৰপত্নি সবত মাগিয়ো গৈয়া অন্ন।।*
*সিতো স্ত্ৰীসৰ মোৰ ভক্ত বিপৰীত।*
*দেহা মাত্ৰ গৃহত মোতেসে মাত্ৰ চিত্ত।*[১৩]

ব্ৰাহ্মণ পত্নীসকলে শ্ৰীকৃষ্ণৰ নাম শুনা মাত্ৰকে কৃষ্ণদৰ্শনৰ



বাবে উদ্বাউল হৈ পৰিল। পৰম হৰষিত মনেৰে শ্ৰীকৃষ্ণৰ বাবে পৰমসুগন্ধি অন্ন, ব্যঞ্জন, পিঠাপনা, শুক্লচেনী আদি লৈ কৃষ্ণৰ কাষ চাপিল। তেওঁলোকে ব্ৰাহ্মণসকলৰ হকাবধাকো কানসাৰ নকৰিলে। তেওঁলোক কৃষ্ণদৰশনৰ বাবে অহা হৰিভকত। হৰি ভকতক বিঘিনিয়ে লঙ্ঘিব নোৱাৰে। সেয়ে ব্ৰাহ্মণীসকলে শ্ৰীকৃষ্ণক কৈছে— 'হে শ্ৰীকৃষ্ণ, তুহু ভকত বৎসল। বেদত শাস্ত্ৰত হামু শুনৈছি ভকতৰ নষ্ট নাহি। সেহি বচন সফল কৰহ। হামাক তেজব নাহি। সেহি পতিপুত্ৰ সবে হামাক থান নাহি দেৱব। হামু গৃহে কমনে বঞ্চব তোহাৰি চৰন নিৰ্ম্মাল্য তুলসী তাহে শিৰে ধৰিকহু দাসী হুয়া ৰহব।'[১৪]

ব্ৰাহ্মণীসকলে সকলো ত্যাগ কৰি শ্ৰীকৃষ্ণৰ পদপদ্মত জীৱন উচৰ্গা কৰিবলৈ ওলোৱাত শ্ৰীকৃষ্ণই অশেষ বুজনি দিলে। দেৱতাসকলকো দৰ্শন কৰালে। তথাপি তেওঁলোক উভতি নোযোৱা বাবে ভক্তিধৰ্মৰ গুঢ়তত্ত্ব ব্যাখ্যা কৰি ক'লে যে ঈশ্বৰৰ পৰা দূৰত থাকিয়ে শ্ৰবণ কীৰ্ত্তন ভক্তিৰে সেইজনাক বশ কৰিব পাৰি। ঈশ্বৰৰ ওচৰত থাকিলে সেই ৰূপে ভকতি কৰিব নোৱাৰি। সদায় অমৃত পান কৰি থকাজনৰ অমৃতৰ প্ৰতি ৰুচি নাথাকে। গতিকে ব্ৰাহ্মণীসকলে উভতি গৈ গৃহাশ্ৰমত থাকিয়ে শ্ৰবণকীৰ্তনৰ জৰিয়তে ঈশ্বৰৰ গুণানুকীৰ্তন কৰিলেহে ঈশ্বৰক লাভ কৰিব।

'ৰুক্মিণী হৰণ' নাটত শ্ৰীকৃষ্ণৰ প্ৰেমিক ৰূপৰ মাহাত্ম্য সুন্দৰকৈ প্ৰকাশ পাইছে। ভিক্ষুকৰ মুখে ৰুক্মিণীৰ ৰূপ গুণ শুনি সাধাৰণ পুৰুষৰ দৰে উদ্বাউল হৈ পৰিছে। বিৰহানলত আকুল হৈ সৰ্বত্ৰ ৰুক্মিণীময় দেখিছে— 'ওহি পৰকাৰে শ্ৰীকৃষ্ণ প্ৰিয়াক বিৰহানলে আকুল হুয়া হা ৰুক্মিণী হা ৰুক্মিণী মাত্ৰ বাক্য ফোকাৰি কহু ৰুক্মিণীময় মাত্ৰ দেখিয়ে সৰ্বথা ৰহল।'

'ৰুক্মিণী হৰণ' নাটত শ্ৰীকৃষ্ণৰ বীৰত্বৰ ৰূপৰো আভাস পোৱা যায়। শ্ৰীকৃষ্ণ অকলে ৰুক্মিণীহৰণৰ নিমিত্তে ওলোৱা বাবে মাকে যেতিয়া আশংকা কৰিলে তেতিয়া বলোৰামে মাক দৈৱকীক সান্ত্বনা দিছে এইদৰে— 'হে মাৱ! তুহু কৃষ্ণক নিমিত্ত কিছু চিন্তা কৰবি নাহি। যে শ্ৰীকৃষ্ণ একেশ্বৰে ত্ৰৈলোক্যক জিনিতে পাৰে, তাহাক আগু ৰাজাসব কোন বস্তু থিক।'

শ্ৰীমন্ত শংকৰদেৱৰ 'ৰামবিজয়' নাটখনৰ বাহিৰে বাকী আটাইকেইখন নাটতে বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্যৰূপ সুন্দৰৰূপে বৰ্ণিত হৈছে।

**গ্ৰন্থপঞ্জী ঃ**

১। শংকৰদেৱ, 'কালিদমন' নাট।
২। শংকৰদেৱৰ 'কেলিগোপাল' নাট।
৩। উক্ত গ্ৰন্থ।
৪। উক্ত গ্ৰন্থ।
৫। উক্ত গ্ৰন্থ।
৬। উক্ত গ্ৰন্থ।
৭। উক্ত গ্ৰন্থ।
৮। উক্ত গ্ৰন্থ।
৯। শ্ৰীশংকৰদেৱৰ 'পাৰিজাত হৰণ' নাট।
১০। শ্ৰীশংকৰদেৱৰ 'পাৰিজাত হৰণ' নাট।
১১। উক্ত গ্ৰন্থ।
১২। শ্ৰীশংকৰদেৱৰ 'পত্নীপ্ৰসাদ' নাট।
১৩। শ্ৰীশংকৰদেৱৰ 'পত্নীপ্ৰসাদ' নাট।
১৪। উক্ত গ্ৰন্থ ❑

*লেখক দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক*